অধ্যায় ২ : গদ্যকাৰ লক্ষ্মীনাথ বজেবৰুৱা

অধ্যায় গাঁথনি

২.১ উদ্দশ্যে
২.২ পৰিচয়
২.৩ লক্ষ্মীনাথ বজেবৰুৱা: জীৱন আৰু কৃতি
২.৩.১ গদ্যকাৰ লক্ষ্মীনাথ বজেবৰুৱা
২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্ৰগতিৰ খতিয়ান
২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ বুৰঞ্জীত ৰসৰাজ উপাধিৰে বিভূষিত লক্ষ্মীনাথ বজেবৰুৱাৰ জীৱন আৰু কৃতিৰ বিষয়ে জানিব পাৰিব। বজেবৰুৱাৰ বিভিন্ন সাহিত্যকৃতি (কবিতা, নাটক, গল্প, উপন্যাস, নিবন্ধ, শিশু-সাহিত্য আদি)ৰ বিষয়ে ধাৰণা লাভ কৰিব।
- আধুনিক অসমীয়া সাহিত্যত বজেবৰুৱাৰ স্থান আৰু গুৰুত্ব বুজিব পাৰিব।
- বজেবৰুৱাৰ গদ্যশলীৰ প্ৰধান বৈশিষ্ট্যসমূহ চিনাক্ত কৰিব পাৰিব।
- সমাজ সংস্কাৰ আৰু জাতীয় চেতনাৰ ক্ষেত্ৰত বজেবৰুৱাৰ চিন্তা-চৰ্চাৰ বিষয়ে জানিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিলোত আপোনালোকে আধুনিক অসমীয়া গদ্যৰ সাধাৰণ আলোচনা আৰু বৈশিষ্ট্য সম্পৰ্কে কিছু কথা জানিব পাৰিলে। এই অধ্যায়টিত আপোনালোকে অসমৰ সাহিত্য জগতৰ এগৰাকী বৰেণ্য ব্যক্তি লক্ষ্মীনাথ বজেবৰুৱাৰ জীৱন আৰু সাহিত্য কৃতিৰ লগত পৰিচিত হ'ব। বজেবৰুৱা আধুনিক অসমীয়া সাহিত্যৰ অন্যতম পুৰোধা ব্যক্তি আৰু জনাকী যুগৰ প্ৰধান সাহিত্যিক। তেওঁ কবিতা, নাটক, চুটিগল্প, উপন্যাস, নিবন্ধ আৰু শিশু-সাহিত্য আদি বিভিন্ন ক্ষেত্ৰত অসামান্য অৱদান আগবঢ়াইছিল। গদ্যকাৰ হিচাপে তেওঁ সহজ-সৰল, প্ৰাঞ্জল, ব্যংগাত্মক আৰু আকৰ্ষণীয় ভাষাশলীৰে অসমীয়া গদ্য সাহিত্যক সমৃদ্ধ কৰিছিল। এই অধ্যায়ত গদ্যকাৰ হিচাপে বজেবৰুৱাৰ স্থান আৰু গদ্যশলীৰ প্ৰধান বৈশিষ্ট্যসমূহ জানিব পাৰিব।

ইয়াৰ পৰৱৰ্তী অধ্যায়ত লক্ষ্মীনাথ বজেবৰুৱাৰ "অসমীয়াৰ বীৰত্ব" শীৰ্ষক নিবন্ধটোৰ মূল পাঠ আৰু সাধাৰণ আলোচনা লাভ কৰিব।

২.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতি

আধুনিক অসমীয়া সাহিত্যৰ স্পষ্ট আৰু সুদৃঢ় ভেটি স্থাপন কৰা সাহিত্যিকসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা অন্যতম। জোনাকী যুগত তেওঁৰ হাততেই অসমীয়া সাহিত্যৰ প্ৰতিটো ঠালেই ফুলে-ফলে জাতিষ্কাৰ হৈ উঠিছিল। আধুনিক অসমীয়া সাহিত্যৰ চৰিস্মৰণীয় ব্যক্তিত্ব লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হৈছিল ১৮৬৪ চনৰ নৱম্বেৰ মাহত। তেওঁৰ দেউতাক শষেৰজন আহোম স্বৰ্গদেউ পুৰন্দৰ সিংহৰ ৰাজবৈদ্য আছিল। পাছলৈ ব্ৰিটিছ চৰকাৰে তেওঁক দৰোনী চৰিস্তাদাৰ হিচাপে নিযুক্ত কৰিছিল। তেওঁৰ দ্বিতীয়া ভাৰ্যা থানশ্বেৰী দৰৌৰ গৰ্ভত লক্ষ্মীনাথৰ জন্ম হৈছিল। দীননাথ বেজবৰুৱাই ছজন পুত্ৰ আৰু চাৰগিৰাকী কন্যাৰ পিতৃত্ব লাভ কৰিছিল। তেওঁৰ পুত্ৰ সন্তানকইটিৰি ভিতৰত লক্ষ্মীনাথৰ স্থান আছিল পঞ্চম। ১৮৮৬ চনত শৰিসাগৰৰ "গৰৰ্ণমণ্টে হাইস্কুল"ৰ পৰা তেওঁ এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৮৮ চনত তেয়িাৰ কলকিতা (কলকাতা)ৰ "চটি কলজে"ৰ পৰা এফ. এ.-ত উত্তীৰ্ণ হৈ "জনেৰেলে এছম্বেলী কলজে"ত বি. এ. শ্ৰেণীত নামভৰ্তি কৰে। ১৮৯০ চনত তেওঁ বি. এ. ডিগ্ৰী লাভ কৰে। তাৰ পিছত তেওঁ "প্ৰেছিডেন্সী কলজে"ত ইংৰাজীত এম. এ. আৰু "ৰপিন কলজে"ত আইনৰ শ্ৰেণীত নামভৰ্তি কৰিছিল যদিও এম. এ. আৰু আইন শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰিলে।

১৮৯১ চনত জোড়াসাকোঁৰ প্ৰখ্যাত ঠাকুৰ পৰিয়ালৰ কন্যা এগৰাকীৰ লগত লক্ষ্মীনাথ বেজবৰুৱা বিবাহ পাশত আবদ্ধ হয়। তেওঁৰ পত্নী প্ৰজ্ঞাসুন্দৰী দৰৌ মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ তৃতীয় পুত্ৰ হেমেন্দ্ৰনাথ ঠাকুৰৰ কন্যা। কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰজ্ঞাসুন্দৰী দৰৌৰ খুৰাক। বিবাহৰ পৰৱৰ্তী কালত তেওঁ ইতিপূৰ্বে ১৮৮৯ চনৰ পৰা প্ৰকাশ পাই থকা জোনাকী কাকতৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিলে। এই দায়িত্বত তেওঁ দুবছৰ কাল থাকে। ১৯০৯ চনত কলকিতাৰ পৰা তেওঁ বাঁহী নামৰ আলোচনী এখন প্ৰকাশ কৰে। সেই আলোচনীখন তেওঁ নিজেই সম্পাদনা কৰিছিল। সমসাময়িক কালছোৱাত তেওঁ কাঠৰ ব্যৱসায়তো লিপ্ত হৈছিল। এই যৌথ ব্যৱসায়ত তেওঁৰ লগত আছিল অসমৰ ভোলানাথ বৰুৱা। গুৱাহাটীত অনুষ্ঠিত হোৱা "অসম ছাত্ৰ সন্মলিন"ৰ ১৯১৬ আৰু ১৯২১ চনৰ অধিৱেশন দুখনৰ সভাপতি ৰূপেও তেওঁ কাব্যনিৰ্বাহ কৰিছিল। তেওঁ গুৱাহাটীত অনুষ্ঠিত হোৱা "অসম সাহিত্য সভা"ৰ সপ্তম অধিৱেশনৰ সভাপতি আছিল। তেওঁ উৰিষ্যাৰ সম্বলপুৰত থাকি স্বাধীনচিতীয়াভাৱে কাঠৰ ব্যৱসায় আৰম্ভ কৰিছিল। তেওঁ তেওঁৰ ব্যৱসায় আৰম্ভ কৰিছিল ১৯২৮ চনৰ শষে ভাগৰ পৰা। ১৯৩১ চনত শৰিসাগৰত বহা অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁক "ৰসৰাজ" উপাধিৰে বিভূষিত কৰা হৈছিল। ১৯৩৭ চনত তেওঁ সম্বলপুৰৰ পৰা ডিব্ৰুগড়ত থকা জীয়ৰে-জোঁৱায়কেৰ ঘৰলৈ আহে। সেই সময়ত তেওঁ শাৰীৰিক অসুস্থতাৰ দ্বাৰা পীড়িত হৈছিল। ১৯৩৮ চনৰ মাৰ্চ মাহৰ ২৬ তাৰিখে তেওঁৰ ডিব্ৰুগড়ত থকা দ্বিতীয় কন্যা ৰত্না বৰুৱাৰ ঘৰত শষে নশ্বাস ত্যাগ কৰে।

আধুনিক অসমীয়া সাহিত্যলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান অতুলনীয়। কলকিতাত থকা প্ৰবাসী অসমীয়া ছাত্ৰসকলে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কথা চিন্তা কৰি ১৮৮৮ চনত কলকিতাতে "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" স্থাপন কৰিছিল। তেয়িা ছাত্ৰ লক্ষ্মীনাথ এই সভাৰ লগত জড়িত হৈ পৰিছিল। এই সভাই ১৮৮৯ চনত ইয়াৰ মুখপত্ৰ

হচিাপে জোনাকী কাকতখন প্ৰকাশ কৰে। জোনাকীৰ প্ৰথম সংখ্যাটোৰ সম্পাদক আছলি চন্দ্ৰকুমাৰ আগৰৱালা। এই বশিষে সংখ্যাটোত লক্ষ্মীনাথ বজেবৰুৱাৰ ধমেলৌয়া নাটক *লটিকিাই* প্ৰকাশতি হছৈলি। এইদৰে বজেবৰুৱাৰ সাহত্যিকি জীৱনৰ শুভাৰম্ভ হছৈলি। ইয়াৰ পাছত তওেঁ আৰু থমকি ৰ'ব লগীয়া হোৱা নাই।

বজেবৰুৱাৰ সাহত্যি কৰ্মৰাজকি তলত দয়িা ধৰণে শ্ৰণৌবভিাগ কৰা আলোচনা কৰবি পাৰি– (১) কবতিা, (২) নাটক, (৩) চুটগিল্প, (৪) উপন্যাস, (৫) জীৱনী, (৬) নবিন্ধ-প্ৰবন্ধ, (৭) শশিু-সাহত্যি আৰু অন্যান্য।

বজেবৰুৱাৰ জীৱনকালত প্ৰকাশতি হোৱা একমাত্ৰ কবতিা সংকলনখনৰ নাম *কদম কলি* (১৯১৩)। তওেঁৰ মৃত্যুৰ পছিত নানা ঠাইত সঁচিৰতি হৈ থকা তওেঁৰ অন্য কছিুমান কবতিা গোটাই *পদুম কলি* (১৯৬৮) নাম দি অন্য এখন কবতিা পুথি ছপা কৰা হছৈে। ডঃ মহশ্বেৰ নওেগে বজেবৰুৱাৰ *কদমকলি*ত সন্নৰিষ্টি হোৱা কবতিাসমূহক উচ্চ প্ৰশংসা কৰা গছৈে। বজেবৰুৱাৰ নাট্যকৃতৰি ভতিৰত পৰবি ধমেলৌয়া নাটক- *লটিকিাই (১৮৮৯), প্ৰহসন-নোমল (১৯১৩), পাচনি* (১৯১৩) আৰু *চকিৰপতা-নকিৰপতা (১৯১৩),* গহীন বুৰঞ্জীমূলক নাটক- *জয়মতী কুঁৱৰী (১৯১৫), চক্ৰধবজ সংহি (১৯১৫)* আৰু *বলেমিাৰ (১৯১৫)*। ইয়াৰ বাহৰিওে তওেঁ *গদাধৰ, বাৰমেতৰা* আৰু *হ-য-ৰ-ৰ-ল* নামে তনিখিন লঘু নাটকিা বাঁহীত প্ৰকাশ কৰছিলি।

লক্ষ্মীনাথ বজেবৰুৱাক অসমীয়া চুটি গল্পৰ জনক আখ্যা দয়িা হয়। তওেঁৰ গল্প সংকলনকইেখন হছৈে ক্ৰমে *সুৰভি (১৯০৯), সাধু কথাৰ কুকি (১৯১০), জোনবিৰি (১৯১৩)* আৰু মৃত্যুৰ পছিত বাঁহী আৰু অন্যান্য ঠাইত সচিঁৰতি হৈ থকা গল্পসমূহৰ সংগ্ৰহ *কহোঁকলি (১৯৬৭)*। উল্লখেযোগ্য যে তওেঁৰ "সউেতী" নামৰ চুটি গল্পটোৰইে হছৈে প্ৰথম অসমীয়া চুটি গল্প। তওেঁৰ একমাত্ৰ উপন্যাসখন হছৈে *পদুম কুঁৱৰী* (১৯০৫)। অসম বুৰঞ্জীৰ এটা ঐতহিাসকি ঘটনাৰ ভত্তিতি কংিবন্তি আৰু লোকগীতৰ লগতে কল্পনাৰ ৰহন সানি ঔপন্যাসকি গৰাকীয়ে কাহনিীভাগ প্ৰস্তুত কৰছিলি।

তওেঁ জীৱনী আৰু আত্মজীৱনী ৰচনাত হাত দওি কৃতকাৰ্য হছৈলি। তওেঁ ৰচনা কৰা জীৱনী হছৈে *ক্ৰমে ডাঙৰীয়া দীননাথ বজেবৰুৱা, শ্ৰী শ্ৰী শংকৰদৰে (১৯১৩) আৰু শ্ৰী শংকৰদৰে আৰু শ্ৰীমাধৱদৰে।* তওেঁৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণ (১৯৪৪) আৰু দনিলপি* তওেঁৰ মৃত্যুৰ পাছত প্ৰকাশতি হছৈলি। বজেবৰুৱাৰ হাততেই অসমীয়া শশিু সাহত্যিই টনকয়িাল স্থতি লাভ কৰছিলি। তওেঁ ৰচনা কৰি থে যোৱা *বুঢ়ী আইৰ সাধু (১৯১১), জুনুকা (১৯১৩), ককাদতৈা আৰু নাতি ল'ৰা(১৯১২), বাখৰ, কামত কৃতত্বি লভবিৰ সংকতে আৰু ভাগৱত* কথা আদি সাধু কথাৰ পুথি আৰু উপদশেমূলক পুথৰি গুৰুত্ব আজওি কমা নাই।

লক্ষ্মীনাথ বজেবৰুৱাই গহীন আৰু লঘু এই দুই ধৰণৰ নবিন্ধ লখিছিলি। তওেঁ কৃপাবৰ বৰুৱা (বৰবৰুৱা) ছদ্মনামৰে জোনাকী কাকতত ব্যংগ আৰু হাস্যৰসাত্মক নবিন্ধ লখিছিলি। পাছলৈ সয়ো– *কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা* (১৯০৯), *কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি* (১৯৫১) আৰু *বৰবৰুৱাৰ বুলনি* (১৯৬৪) নামৰে প্ৰকাশতি হয়। এই নবিন্ধসমূহত ব্যংগ আৰু পৌৰাণকিতাৰ সমন্বয়ৰে স্বদশে আৰু স্বজাতৰি দোষ-গুণসমূহ বচিাৰ তাৰ পৰা পৰত্িৰাণৰ বাট বচিাৰছিলি। ইয়াৰ উপৰি সাহত্যি প্ৰকাশে প্ৰকাশ কৰা বজেবৰুৱাৰ গ্ৰন্থাৱলীত ভাবৰ বুৰবুৰণি (দ্বতিীয় খণ্ড), বৰবৰুৱাৰ চন্তিাৰ শলিগুটি, বৰবৰুৱাৰ সাহত্যিকি ৰহস্য আৰু বৰবৰুৱাৰ সামৰণি নামৰে চাৰখিন নবিন্ধ সংকলন সন্নৰিষ্টি কৰছি।

এই নবিন্ধসমূহ বভিন্নি কাকত আলোচনীত সঁচিৰতি হৈ আছলি। গ্ৰন্থাৱলীৰ সম্পাদকসকলে এনে ধৰণে নামকৰণ কৰি গ্ৰন্থাৱলীত অন্তৰ্ভুক্ত কৰছিে। তওেঁৰ গহীন প্ৰবন্ধ ৰচনাসমূহৰ সৰহভাগেই বষৈণৱ ধৰ্ম সম্পৰ্কীয়। সইেসমূহৰ ভতিৰত উল্লখেযোগ্য ৰচনাসমূহ হছৈে ক্ৰমে– *ভাগৱত কথা, শ্ৰীকৃষ্ণ কথা, তত্ত্বকথা* ইত্যাদি। তদুপৰি তওেঁ বাঁহীত "কাহুদি আৰু খাৰলি" শীৰ্ষক এলানি সমালোচনাত্মক প্ৰবন্ধও ৰচনা কৰছিলি।

আধুনকি অসমীয়া সাহত্যিৰ প্ৰায় প্ৰতিটো বিধাতেই লক্ষ্মীনাথ বজেবৰুৱাই অৰহিণা আগবঢ়াইছলি। বহুমুখী প্ৰতভিাৰ অধকিাৰী লক্ষ্মীনাথ বজেবৰুৱাই অসমীয়া নবিন্ধ ৰচনাক এটা বশিষে গতি প্ৰদান কৰছিলি। তওেঁৰ সৰহ সংখ্যক ৰচনাতে নজিৰ দশে আৰু জাতৰি প্ৰতি থকা তওেঁৰ দায়ত্বিববোধ ফুটি উঠছিলি। তওেঁৰ নবিন্ধ ৰচনাসমূহো ইয়াৰ ব্যতক্ৰিম নহয়। তওেঁ সমসাময়কি সমাজ ব্যৱস্থাত চলি থকা বমেজোলবিোৰ দখেি চন্তিতি হছৈলি। মানুহে জাত-পাতৰ নামত পৰস্পৰে পৰস্পৰক হংিসা আৰু শোষণ কৰছিলি। অন্ধ বশ্বাস, কু-সংস্কাৰৰ দ্বাৰা প্ৰভাৱতি মানুহে সমাজলৈ নতুন চন্তিাৰ আগমনত বাধা দয়িে। ব্যক্তগিত জীৱনতো মানুহে শান্তি বচিাৰি নাপাই অশান্তবি মাজতে কাল অতবিাহতি কৰে। কন্তিু মানুহ নৰিুপায়। প্ৰচলতি সমাজ ব্যৱস্থাৰ বমেজোলবিোৰ আঁতৰাবলৈ মানুহ অপাৰগ। বজেবৰুৱাই সমাজৰ এই স্থতিবি কথা ভালদৰে উপলব্ধি কৰছিলি। সয়েহে তওেঁ সমাজখন সংস্কাৰ কৰবিলৈ কাপ তুলি লছৈলি। তওেঁৰ নবিন্ধ ৰচনাসমূহত কোনো কোনো সময়ত ধমোলবি চলৰে আৰু কোনো কোনো সময়ত ব্যংগাত্মকভাৱে সমাজৰ এই বয়ো দশিবোৰ সমালোচনা কৰি তওেঁ অসমীয়া মানুহক জাগ্ৰত কৰবিলৈ চষ্টো চলাইছলি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ : লক্ষ্মীনাথ বজেবৰুৱাৰ জন্ম কতেয়িা হছৈলি ?

.....

....

প্রশ্ন নং ২ : বজেবৰুৱাৰ জীৱনকালত প্ৰকাশতি হোৱা একমাত্ৰ কবতিা সংকলনখনৰ নাম কি?

.....

২.৩.১ গদ্যকাৰ লক্ষ্মীনাথ বেজবৰুৱা

অসমীয়া সাহত্যিৰ ইতহিাসত লক্ষ্মীনাথ বজেবৰুৱা এক উজ্জ্বল আৰু চৰিস্মৰণীয় নাম। তওেঁ আধুনকি অসমীয়া সাহত্যিৰ অন্যতম পথ প্ৰদৰ্শক আৰু "জোনাকী যুগ"ৰ প্ৰধান সাহত্যিকিসকলৰ ভতিৰত এজন। গদ্যকাৰ হচিাপে তওেঁৰ অৱদান বশিষেভাৱে উল্লখেযোগ্য। অসমীয়া গদ্য সাহত্যিক সজীৱ, প্ৰাঞ্জল, শক্তশিালী আৰু জনপ্ৰয়ি ৰূপ দয়িাত বজেবৰুৱাৰ ভূমকিা অতুলনীয়।

বজেবৰুৱাৰ গদ্যৰ অন্যতম বশৈষ্ট্যি হছৈে আকৰ্ষণীয় প্ৰকাশভংগী। তওেঁ বষিয়বস্তু অনুসৰি ভাষা আৰু বাক্যৰীতবি ব্যৱহাৰ কৰছিলি। গম্ভীৰ বষিয়বস্তুৰ ক্ষত্রেত গাম্ভীৰ্যপূৰ্ণ ভাষা, হাস্য-ব্যংগমূলক বষিয়ত হাস্যৰসিক ভাষা আৰু সাধাৰণ বষিয়ত

সহজ-সৰল ভাষাৰ প্ৰয়োগে তওঁৰ গদ্যক অধিক মনোগ্ৰাহী কৰি তুলিছে। পাঠকে সহজে বুজি পৰাকৈ তওঁ যুক্তিনিষ্ঠ আৰু স্পষ্ট ভাষাৰে নিজৰ বক্তব্য উপস্থাপন কৰিছিল। আকৰ্ষণীয় প্ৰকাশভংগী, নিভাঁজ অসমীয়া জতুৱা ঠাঁচ, খণ্ডবাক্য, প্ৰবাদ-পটন্তৰ আৰু ঘৰুৱা শব্দৰ প্ৰয়োগ, বৈচিত্ৰ্যপূৰ্ণ ভাষাৰীতি আৰু চাতুৰ্যপূৰ্ণ কৌশলে বজেবৰুৱাৰ গদ্যৰীতিকি ব্যতিক্ৰমী ৰূপ দান কৰিছে। ভাষাৰ এই স্বাভাৱিকতাই তওঁৰ ৰচনাক জনসাধাৰণৰ মাজত অধিক জনপ্ৰিয় কৰি তুলিছে। তওঁৰ গদ্যত চুটি-দীঘল, সহজ-কঠিন, ত□সম-তদ্ভৱ আদি বিভিন্ন ধৰণৰ শব্দৰ সমাহাৰ দেখা যায়। অযথা জটিল শব্দ ব্যৱহাৰ কৰি গদ্যক দুৰ্বোধ্য কৰা নাছিল। প্ৰয়োজন অনুসৰি ইংৰাজী শব্দকো ৰচনাত ঠাই দিবলৈ সংকোচ কৰা নাই; এই শব্দৰ প্ৰয়োগে তওঁ গদ্যক আউল লগোৱা নাই। পাঠকে বিষয়বস্তু সহজে উপলব্ধি কৰিবি পৰাটো তওঁ সদায় গুৰুত্ব দিছিল। বজেবৰুৱাৰ গদ্যত অলংকাৰৰ সুনিপুণ প্ৰয়োগো লক্ষ্য কৰা যায়। উপমা, ৰূপক, উ□প্ৰক্ষেপা আদি অলংকাৰৰ ব্যৱহাৰে তওঁৰ ভাষাক অধিক সৌন্দৰ্যমণ্ডিত কৰি তুলিছে। আকৌ বৈচিত্ৰ্যপূৰ্ণ বিষয়ৰ লগত সংগতি ৰক্ষা কৰি যুক্তিনিষ্ঠ, নাটকীয়, আলংকাৰিক, আৰু ব্যংগাত্মক আদি ভিন্ন ৰীতিৰ প্ৰয়োগৰেে তওঁ গদ্যক আকৰ্ষণীয় ৰূপত গঢ়ি তুলিছে। তদুপৰি বিষয়বস্তু, পৰিৱেশ আৰু চৰিত্ৰ অনুসৰি ভাষাৰ পৰিৱৰ্তন ঘটাৰ পৰাৰ দক্ষতা তওঁৰ গদ্যশৈলীৰ এক উল্লেখযোগ্য দিশ। চৰিত্ৰানুৰূপ ভাষাৰ প্ৰয়োগে তওঁৰ ৰচনাসমূহ অধিক বাস্তৱসন্মত আৰু জীৱন্ত হৈ উঠিছে।

তওঁৰ গদ্যৰ আন এক বৈশিষ্ট্য হ'ল- বিষয়ান্তৰলৈ যোৱাৰ প্ৰৱণতা। কোনো এটা বিষয় আলোচনা কৰি থাকোঁতে তওঁ প্ৰাসংগিক বা কতেয়াবা আপাতদৃষ্টিত অপ্ৰাসংগিক বহু বিষয়ৰ অৱতাৰণা কৰিছিল। কিন্তু এই বিষয়ান্তৰবোৰে মূল বিষয়ৰ সৌন্দৰ্য আৰু গভীৰতা বৃদ্ধি কৰাত সহায় কৰে। তওঁৰ চিন্তাৰ ব্যাপকতা আৰু অভিজ্ঞতাৰ সমৃদ্ধি এই বৈশিষ্ট্যৰ মাজেৰে প্ৰকাশ পাইছে।

ব্যঙ্গাত্মক আৰু শ্লেষাত্মক বা কৌতুকপূৰ্ণ ভাষা বজেবৰুৱাৰ ৰচনাৰীতিৰ এক এৰাব নোৱৰা বৈশিষ্ট্য। "কৃপাবৰ বৰুৱা" ছদ্মনামেৰে লিখা তওঁৰ ব্যংগাত্মক ৰচনাসমূহ অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ। সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস, ভণ্ডামি, সামাজিক অসংগতি আৰু বিভিন্ন দুৰ্বলতাক তওঁ তীক্ষ্ণ ব্যংগ ভাষাৰ জৰিয়তে প্ৰকাশ কৰিছে। কিন্তু এই ব্যংগ কঠোৰ বা বিদ্বেষমূলক নহয়; ইয়াৰ মাজত থাকে সুস্থ কৌতুক আৰু সমাজ সংস্কাৰৰ উদ্দেশ্য। আকৌ কতেয়াবা সাধাৰণ কথা এটাকো অস্বাভাৱিক গাম্ভীৰ্য দান আৰু কতেয়াবা অতি গম্ভীৰ বিষয়ক সহজ-সৰল ভংগীত প্ৰকাশ কৰি পাঠকৰ মনত হাস্যজনক পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰাটো বজেবৰুৱাৰ প্ৰকাশভংগীৰ এটি মন কৰিবলগীয়া বৈশিষ্ট্য।

সামৰণিত ক'ব পাৰি যে, লক্ষ্মীনাথ বজেবৰুৱা কেৱল এজন সাহিত্যিকিহে নহয়, তওঁ অসমীয়া গদ্য সাহিত্যৰ এজন যুগসৃষ্টা শিল্পী। তওঁৰ গদ্যৰ স্বকীয়তা, ভাষাৰ সৌন্দৰ্য, হাস্য-ব্যংগতা, অলংকাৰৰ সুনিপুণ ব্যৱহাৰ আৰু চিন্তাৰ

মৌলিকতাই তওঁক অসমীয়া সাহিত্যৰ ইতিহাসত এক অমৰ গদ্যকাৰ হিচাপে প্ৰতিষ্ঠা কৰিছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ : প্ৰথম অসমীয়া চুটিগল্পটোৰ নাম কি? ইয়াৰ ৰচক কোন?

.....
.....

প্ৰশ্ন নং ৪ : বজেবৰুৱাই কি ছদ্মনামৰে ব্যংগাত্মক আৰু হাস্যৰসাত্মক নিবন্ধ লিখিছিলি?

....
.....
.....

2 ২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লক্ষ্মীনাথ বজেবৰুৱা আধুনিক অসমীয়া সাহিত্যৰ অন্যতম পুৰোধা ব্যক্তি আছিল। বজেবৰুৱাক অসমীয়া চুটিগল্পৰ জনক বুলি কোৱা হয়। তওঁ কবিতা, নাটক, চুটিগল্প, উপন্যাস, জীৱনী, নিবন্ধ আৰু শিশু-সাহিত্য আদি সকলো ক্ষেত্ৰতে উল্লেখযোগ্য অৱদান আগবঢ়াইছিল।
- এই অধ্যায়টি অধ্যয়নৰ শেষত আপুনি নিবন্ধকাৰ হিচাপে ৰসৰাজ লক্ষ্মীনাথ বজেবৰুৱাৰ পৰিচয় লাভ কৰিলে। লগতে বজেবৰুৱাৰ গদ্যশৈলীৰ আভাস লাভ কৰিলে। তওঁৰ গদ্যশৈলীত সৰলতা, হাস্য-ব্যংগ, অলংকাৰ, জতুৱা ঠাঁচ আৰু বৈচিত্ৰ্যপূৰ্ণ ভাষাৰ সফল সমন্বয় দেখা যায়।
- জাতীয় চেতনা, স্বদেশপ্ৰেম আৰু দায়িত্ববোধ তওঁৰ ৰচনাসমূহৰ অন্যতম বৈশিষ্ট্য। গদ্যৰ মাজত সমাজৰ কুসংস্কাৰ, অসংগতি আৰু দুৰ্বলতাক হাস্য-ব্যংগ সমালোচনাৰ জৰিয়তে উপস্থাপন কৰি তওঁ সমাজ সংস্কাৰৰ চেষ্টা কৰা লক্ষ্য কৰা যায়।

O ২.৫ অধিক জানিবলৈ

কটকী, প্ৰফুল্ল (২০০৮); *সাহিত্যৰথী;* জ্যোতি প্ৰকাশন।

নওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* চন্দ্ৰ প্ৰকাশ।

ৰৰগোহাঞি, হোমেন (সম্পা.) (২০০৪); *ৰিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* বনলতা।

ৰৰা, মহেন্দ্ৰ (২০০২); *সাহিত্য উপক্ৰমণিকা;* বনলতা।

ভূঞা, স্মৃতি ৰেখা (২০০৭); *অসমীয়া গদ্যৰীতি;* বৃষ্টি প্ৰকাশন।

শইকীয়া, চন্দ্ৰ প্ৰসাদ (সম্পা.) (১৯৬৪); *লক্ষ্মীনাথ বেজবৰুৱা;* অসম প্ৰকাশন পৰিষদ।

শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* সৌমাৰ প্ৰকাশ।

শাস্ত্ৰী, বিশ্ব নাৰায়ণ (১৯৯৪); *লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা;* শৰাইঘাট প্ৰকাশন।

K ২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হৈছিল ১৮৬৪ চনৰ নৱেম্বৰ মাহত।

২ নং প্রশ্নৰ উত্তৰ : বেজবৰুৱাৰ জীৱনকালত প্রকাশিত হোৱা একমাত্র কবিতা সংকলনখনৰ নাম কদমকলি।

৩ নং প্রশ্নৰ উত্তৰ : সেউতী' নামৰ চুটি গল্পটোৰেই হৈছে প্রথম অসমীয়া চুটি গল্প। গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱা।

৪ নং প্রশ্নৰ উত্তৰ : লক্ষ্মীনাথ বেজবৰুৱাই কৃপাবৰ বৰুৱা (ববৰবৰুৱা) ছদ্মনামেৰে ব্যংগাত্মক আৰু হাস্যৰসাত্মক নিবন্ধ লিখিছিল।

M ২.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক–

প্রশ্ন ১: কি ছদ্মনামেৰে বেজবৰুৱাই জোনাকী কাকতত ব্যংগ আৰু হাস্যৰসাত্মক নিবন্ধ লিখিছিল।

প্রশ্ন ২: ব্যক্তিনিষ্ঠ নিবন্ধসমূহ আত্মজীৱনীমূলক হয় নে নহয়?

প্রশ্ন ৩: অসমীয়া চুটিগল্পৰ জনক কোন আৰু কিয় কোৱা হয়?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১: বেজবৰুৱাৰ জীৱন আৰু কৃতি সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ২: বেজবৰুৱাৰ নিবন্ধসমূহৰ প্রধান বৈশিষ্ট্য কেইটামান উল্লেখ কৰক।

প্রশ্ন ৩: অসমীয়া চুটিগল্পৰ জনক হিচাপে বেজবৰুৱাৰ অৱদান আলোচনা কৰা।

প্রশ্ন ৪: সমাজ সংস্কাৰক হিচাপে বেজবৰুৱাৰ ভূমিকা আলোচনা কৰা।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : আধুনিক অসমীয়া সাহিত্যৰ বিকাশত লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান মূল্যায়ন কৰা।

প্রশ্ন ২: গদ্যকাৰ হিচাপে বেজবৰুৱাৰ ভাষা- এটি প্রবন্ধ লিখা।